# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-01-2025
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

**- - - - - - - - - - - - - -**

১। রে'লমন্ত্রী অশ্বিনী বৈষ্ণৱৰ কাইলৈ গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত চলিবলগীয়া জন শতাব্দী এক্সপ্রেছ ৰে'লগাড়ীখনৰ যাত্ৰাৰ শুভাৰম্ভ।

২। আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ ১০ কিলোৱাট শক্তি সম্পন্ন নতুন এফ এম ট্ৰান্সমিটাৰ কাইলৈ আনুষ্ঠানিকভাৱে উদ্বোধন।

৩। চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে সীমা বিবাদ মীমাংসাৰ বাবে অসম চৰকাৰৰ পদক্ষেপসমূহ সীমান্ত সুৰক্ষা তথা উন্নয়ন মন্ত্ৰী অতুল বৰাৰ পৰ্যালোচনা।

৪। গুৱাহাটী মহানগৰীৰ খাৰঘুলিত আজি পানীৰ পাইপ ফুটি বিস্তীৰ্ণ অঞ্চল আকস্মিকভাৱে জলমগ্ন।

**আৰু**

৫। আজি ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ ঘোষণা।

০০০০০

ভাৰতীয় ৰে'লৱেই গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত চলাচল কৰোৱাৰ সিদ্ধান্ত লোৱা নতুন জন শতাব্দী এক্সপ্রেছ ৰে'লগাড়ীখনৰ যাত্ৰা কাইলৈ গুৱাহাটীত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে শুভাৰম্ভ কৰিব। ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ সৈতে গুৱাহাটীৰ ৰে'ল যোগাযোগ অধিক সুচল কৰাৰ বাবে এই ৰে'লখন প্ৰৱৰ্তনৰ সিদ্ধান্ত লোৱা হৈছে। ৰে'ল বিভাগৰ সূত্ৰই জনোৱা মতে, সপ্তাহত দুবাৰকৈ চলাচল কৰিবলগীয়া এই ৰে'লগাড়ীখনে পুৱা ৯ বাজি ৫০ মিনিটত গুৱাহাটীৰ পৰা যাত্ৰা আৰম্ভ কৰি বিয়লি ৪ বাজি ১৫ মিনিটত উত্তৰ লখিমপুৰ পাবগৈ আৰু বিয়লি ৫ বজাত উত্তৰ লখিমপুৰৰ পৰা যাত্ৰা কৰি নিশা ১১ বাজি ২৫ মিনিটত গুৱাহাটী পাবহি।

ৰে'লমন্ত্ৰীগৰাকীয়ে কাইলৈ তিনিচুকীয়া-নাহৰলগুন এক্সপ্রেছ আৰু গুৱাহাটী-নিউ বঙাইগাঁও যাত্ৰীবাহী ৰে'লগাড়ী দুখনো পতাকা জোকাৰি শুভাৰম্ভ কৰিব। মন্ত্ৰীগৰাকীয়ে তেতেলীয়াত নিৰ্মাণ কৰা এখন পথ উৰণসেতুঁও উদ্বোধন কৰিব। তথ্য আৰু সম্প্ৰচাৰ বিভাগৰো মন্ত্ৰী বৈষ্ণৱে ভাৰ্চুৱেল ব্যৱস্থাৰে আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ নৱনিৰ্মিত এফ এম ট্ৰান্সমিটাৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

০০০০০

আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ ১০ কিলোৱাট শক্তি সম্পন্ন নতুন এফ এম ট্ৰান্সমিটাৰটো কাইলৈ আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উৎসৰ্গিত কৰা হ'ব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কাইলৈ গুৱাহাটীত

আয়োজিত এটা অনুষ্ঠানত ভিডিঅ’ কনফাৰেন্সিঙৰ জৰিয়তে এই ট্ৰান্সমিটাৰটো আনুষ্ঠানিকভাৱে মুকলি কৰিব। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, আকাশবাণীৰ সঞ্চালক প্ৰধান প্ৰজ্ঞা পালিৱাল গৌড়  আৰু আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি গুৱাহাটীত উপস্থিত থাকিব। এই উপলক্ষে একে সময়তে কোকৰাঝাৰ বিজ্ঞান মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰী, ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰী আৰু কোকৰাঝাৰৰ ভালেকেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকিব। ১৯৯৯ চনত স্থাপিত আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ অনুষ্ঠান প্ৰচাৰ কেনে আছিল আৰু এতিয়া কেনে হ’ব সেই বিষয়ে আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰে এইদৰে কয়-

**ৰাইট (ৰাজীৱ লোচন বৰঠাকুৰ)**

কাইলৈৰ পৰা পশ্চিম অসমৰ শ্ৰোতাসকলে এফ এম বেণ্ডৰ ১০২ মেগাহাৰ্টজত আকাশবাণী কোকৰাঝাৰৰ অনুষ্ঠানসমূহ শুনিব পাৰিব।

০০০০০

আকাশবাণীৰ সঞ্চালকপ্ৰধান শ্ৰীমতী প্ৰজ্ঞা পালিৱাল গৌড় দুদিনীয়া ভ্ৰমণসূচীৰে আজি গুৱাহাটীত উপস্থিত হৈছে। তেওঁ আজি গুৱাহাটীত আকাশবাণী আৰু দূৰদৰ্শনৰ বিষয়াবৰ্গৰ সৈতে মাধ্যম দুটাৰ কাম-কাজৰ পৰ্যালোচনা কৰে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কাইলৈ গুৱাহাটীৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে কোকৰাঝাৰৰ নতুন এফ এম ট্ৰান্সমিটাৰ উদ্বোধনৰ প্ৰস্তুতি সম্পৰ্কেও সঞ্চালকপ্ৰধানগৰাকীয়ে আকাশবাণীৰ বিষয়াসকলৰ সৈতে আলোচনা কৰে।

০০০০০

অসমৰ সৈতে চুবুৰীয়া ৰাজ্যসমূহৰ সীমা বিবাদসমূহ সৌহাৰ্দপূৰ্ণভাৱে মীমাংসাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ আজি অসম চুক্তি ৰূপায়ণ আৰু সীমান্ত সুৰক্ষা তথা উন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই পৰ্যালোচনা কৰে। তেওঁ কয়, যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনৈতিক সদিচ্ছা আৰু নিৰন্তৰ প্ৰচেষ্টাৰ লগতে চুবুৰীয়া ৰাজ্যকেইখনৰ নেতৃবৰ্গৰ সহযোগিতাৰ বাবে সীমান্তৱৰ্তী অঞ্চলসমূহত স্থায়ী শান্তি আৰু দ্ৰুত উন্নয়ন নিশ্চিত কৰাটো সম্ভৱ হৈ উঠিব। মন্ত্ৰীগৰাকীয়ে আজি অসম চুক্তি ৰূপায়ণ বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হৈ এই চুক্তিৰ ৬ নম্বৰ দফা সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা সমিতিৰ ৫২টা পৰামৰ্শৰ কাৰ্যকৰীকৰণ সন্দৰ্ভত আলোচনা কৰে। তেওঁ এই সন্দৰ্ভত গ্ৰহণ কৰা পৰিকল্পনাসমূহৰ দ্ৰুত আৰু ফলপ্ৰসূ ৰূপায়ণ নিশ্চিত কৰাৰ ব্যৱস্থা কৰিবলৈ বিষয়াসকলক কাম কৰি যাবলৈ নিৰ্দেশ দিয়ে।

০০০০০

গুৱাহাটী মহানগৰীৰ খাৰঘূলিৰ নামঘৰ পথত আজি পুৰা পানীৰ পাইপ ফুটি বিস্তীৰ্ণ অঞ্চল আকস্মিকভাৱে জলমগ্ন হৈ পৰাৰ ফলত জনসাধাৰণ ভীষণ সমস্যাৰ সন্মুখীন হয়। বহু সময় ধৰি অঞ্চলটোৰে যাতায়াত ব্যাহত হয়। জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী তথা গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আজি খাৰঘূলিত উপস্থিত হৈ এই ঘটনাৰ সবিশেষ বুজ লোৱাৰ লগতে ঘটনাস্থলী পৰিদৰ্শন কৰে। তেওঁ স্থানীয় ৰাইজ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰি ভৱিষ্যত কাৰ্যপন্থাৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে বিজ্ঞানসন্মত পদ্ধতিৰে এই ঘটনাৰ অনুসন্ধান কৰি

প্ৰতিকাৰৰ ব্যৱস্থা লোৱা হ'ব বুলি জানিবলৈ দিয়ে। তদুপৰি ক্ষতিগ্ৰস্তসকলক উচিত ক্ষতিপূৰণ দিবলৈ তেওঁ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। আজি খাৰঘুলিৰ এই ঘটনা সন্দৰ্ভত আমাৰ সংবাদদাতা হেমন্ত বৰাই এইদৰে কয়-

**ভইচ (হেমন্ত বৰা)**

ooooo

ৰাজ্যৰ বন বিভাগে বিগত বছৰত কৰা হস্তী গণনাৰ তথ্য অনুসৰি ৰাজ্যখনত হাতীৰ সংখ্যা ৫ হাজাৰ ৮২৮লৈ বৃদ্ধি হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এই বিষয়ে প্ৰকাশ কৰি বন বিভাগৰ এই কৃতিত্বৰ বাবে শলাগ লয়। তেওঁ কয়, যে পূৰ্বে হাতীৰ সংখ্যা ৫ হাজাৰ ৭১৯ আছিল। এইবাৰৰ পিয়ল অনুসৰি মুঠ হাতীৰ ৩৬ শতাংশ প্ৰাপ্তবয়স্ক মাখুন্দি বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে অসমক হস্তীৰ বাবে অনুকূল কৰি তুলিবলৈ ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। বন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে এইক্ষেত্ৰত চলাই অহা নিৰন্তৰ প্ৰচেষ্টাক তেওঁ প্ৰশংসা কৰে।

ooooo

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কলাক্ষেত্ৰ ৰামধেনু উৎসৱৰ আজি প্ৰথম দিনা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ শিল্পীসকলে বৰঢোল পৰিৱেশন কৰে। অনুষ্ঠানত আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ পৰিকল্পনাত 'আঁহত তলৰ ৰং' শীৰ্ষক ভিন্নসুৰী গীত-মাতৰ কাৰ্যসূচীৰ লগতে কলাক্ষেত্ৰ সমাজৰ কৰ্মচাৰী প্ৰয়াত মনেশ্বৰ ব্ৰহ্মাৰ স্মৃতিত কেইবাটাও কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি চৰকাৰী চাৰু-কাৰু আৰু কলা মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে এখনী চিত্ৰ কৰ্মশালাৰ আয়োজন কৰে। একেদৰে পশ্চিম কাৰ্বি আংলং, ডেৰাপথাৰ, ডিমা হাচাও, হাফলঙৰ লগতে বিভিন্ন প্ৰান্তৰ শিল্পীসকলে জনগোষ্ঠীয় নৃত্য পৰিৱেশন কৰে।

ooooo

চানডুবিত কালিৰে পৰা জনগোষ্ঠীয় খাদ্য সম্ভাৰ, থলুৱা হস্ততাঁত বস্ত্ৰ আৰু বিভিন্ন খেল-ধেমালিৰে পঞ্চদশ চানডুবি মহোৎসৱ অনুষ্ঠিত হৈছে। অহা ৫ জানুৱাৰী পৰ্যন্ত চলিবলগীয়া মহোৎসৱৰ আজি দ্বিতীয় দিনাও অগণন লোকৰ সমাগম হৈছে। সদৌ ৰাভা ছাত্ৰ সন্থাৰ বৰদুৱাৰ ভোলাগাঁও আঞ্চলিক সমিতিৰ উদ্যোগত আয়োজিত এই মহোৎসৱৰ জৰিয়তে চানডুবি বিলৰ সংৰক্ষণ আৰু এই অঞ্চলটো উল্লেখযোগ্য পৰ্যটন স্থান হিচাপে গঢ়ি তোলাৰ বাবে সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। কালি ৰাভা হাচং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই মহোৎসৱৰ শুভাৰম্ভ কৰে।

ooooo

মহিলা সবলীকৰণৰ ক্ষেত্ৰত বি টি আৰ চৰকাৰৰ বিশেষ পদক্ষেপ হিচাপে আজি বাক্সা জিলাৰ খাৰুৱাত থকা হস্ততাঁত বস্ত্ৰ সংহত উদ্যানৰ চৌহদত এটা এড়ী সূতা উৎপাদন কাৰখানা মুকলি কৰা হয়। বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে আজি এই কাৰখানাটো উদ্বোধন কৰি কয় যে গ্ৰামাঞ্চলৰ মহিলাসকলক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি তোলাৰ উদ্দেশ্যে এই এড়ী সূতা উৎপাদন কাৰখানা স্থাপন কৰা হৈছে। উত্তৰ-পূব আঞ্চলিক বস্ত্ৰশিল্প প্ৰচাৰ আঁচনিৰ অধীনত ১৪ কোটি ৯২ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই কাৰখানাটোত দৈনিক ২০০ কিলোগ্ৰাম এড়ী সূতা উৎপাদন কৰিব পৰা যাব বুলি শ্ৰীবড়োৱে প্ৰকাশ কৰে।

ooooo

মাজুলীৰ থানাসমূহত বিগত বছৰত ৰুজু হোৱা আটাইবোৰ অপৰাধমূলক গোচৰ নিষ্পত্তি হোৱাৰ ফলত জিলাখনত নৱবৰ্ষৰ আৰম্ভণিতে পঞ্জীভুক্ত অপৰাধমূলক গোচৰৰ সংখ্যা শূণ্য হৈছে বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। জিলাখনত বিগত বৰ্ষত ১৫৬টা গোচৰ নিষ্পত্তি কৰা হয়। সময়মতে তদন্ত আৰু ন্যায় প্ৰদানৰ ক্ষেত্ৰত আৰক্ষী বাহিনীৰ কৰ্তব্যনিষ্ঠা আৰু স্থানীয় ৰাইজৰ সহযোগিতাৰ বাবে এই সাফল্য লাভ কৰা হৈছে বুলি মাজুলী জিলা আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে প্ৰকাশ কৰিছে।

০০০০০

ৰাজ্যিক পক্ষী দেওহাঁহৰ সংৰক্ষণৰ বাবে নামেৰী ৰাষ্ট্ৰীয় উদ্যানত যোৱা বছৰৰ পৰা গ্ৰহণ কৰা বিশেষ প্ৰকল্পৰ ফলত উদ্যানখনত দেওহাঁহৰ সংখ্যা বৃদ্ধি পাইছে। দুষ্প্ৰাপ্য প্ৰজাতিৰ এই পক্ষীবিধ পূৰ্বে বিহালী সংৰক্ষিত বনাঞ্চল, ডুমডুমা, ডিব্ৰু-চৈখোৱা, দিহিং-পাটকাইকে ধৰি কেইবাখনো বনাঞ্চলত পোৱা গৈছিল যদিও পৰৱৰ্তী সময়ত অন্য বনাঞ্চলসমূহত দেওহাঁহৰ অস্তিত্ব প্ৰায় নাইকিয়া হৈ পৰে। দিহিং পাটকাই আৰু নামেৰী ৰাষ্ট্ৰীয় উদ্যানতহে এই দুষ্প্ৰাপ্য প্ৰজাতিৰ পক্ষীবিধ বৰ্তি থকাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে যোৱাবছৰ নামেৰিত এই প্ৰকল্প আৰম্ভ কৰে। ইয়াৰ অধীনত দেওহাঁহৰ বিচৰণ ক্ষেত্ৰ তথা বিলসমূহৰ চোৱাচিতা কৰাৰ লগতে এই পক্ষীবিধৰ উপযোগীকৈ তিনিখন বিল সাজু কৰি তোলা হয়। তিনিওখন বিললৈ যথেষ্ট সংখ্যক দেওহাঁহৰ আগমন ঘটাৰ ফলত পক্ষীবিধৰ আশা ব্যঞ্জকভাৱে বংশবৃদ্ধি হৈছে বুলি উদ্যানখনৰ সূত্ৰই প্ৰকাশ কৰিছে। বৰ্তমান উদ্যানখনত থকা ৭০ৰ পৰা ৮০ টা দেওহাঁহ চাবলৈ দেশ-বিদেশৰ অগণন পৰ্যটকৰ আগমন ঘটে। উদ্যানখনত এই পক্ষীবিধৰ গতি-বিধি নিৰূপণৰ বাবে কমেও দুটা পক্ষীৰ দেহত ৰেডিঅ'কলাৰ নামৰ বিশেষ সঁজুলি সংস্থাপন কৰাৰ পৰিকল্পনা কৰা হৈছে বুলি নামেৰি ৰাষ্ট্ৰীয় উদ্যানৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

অসম আৰু অসমীয়াৰ স্বাৰ্থৰ হকে আজীৱন উদাত্ত কণ্ঠেৰে মাত মাতি জাতি চেতনাৰ সঞ্চাৰ কৰা অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰীৰ পুণ্য তিথি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হয়। স্বাধীনতা সংগ্ৰামী, কবি, নাট্যকাৰ, গায়ক, গদ্য লেখক, সংবাদসেৱী ৰায়চৌধুৰীক তেজোদিপ্ত ধ্যান-ধাৰণা আৰু চেতনাৰ সঞ্চাৰকাৰী কৰ্ম আৰু সৃষ্টিৰাজিৰ বাবে অসম কেশৰী উপাধিৰে সন্মানিত কৰা হৈছিল। ১৯৫০ চনত মাৰ্ঘেৰিটাত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনত তেওঁ সভাপতিৰ পদ অলংকৃত কৰিছিল। ১৯৬৫ চনত সাহিত্য একাডেমী বঁটাৰে সন্মানিত ৰায়চৌধুৰীয়ে তুমি, বীণা, অনুভূতি, বেদনাৰ উল্কা আদি কাব্যপুথিৰ উপৰি কেইবাখনো নাটক ৰচনা কৰি অসমীয়া সাহিত্যলৈ বৰঙণি আগবঢ়াই গৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰায়চৌধুৰীৰ পুণ্য তিথিত গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। জাতীয় জীৱনৰ এগৰাকী বন্দিত সত্বা ৰায়চৌধুৰীৰ সৃষ্টিৰাজিয়ে অসমৰ সাহিত্য আৰু সংগীতক্ষেত্ৰলৈ বৰঙণি আগবঢ়াই গৈছে বুলি মুখ্যমন্ত্ৰীয়ে নিজৰ বাৰ্তাত উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসম কেশৰীৰ পুণ্য তিথিত শ্ৰদ্ধা নিবেদন কৰি দিয়া বাৰ্তাত কয় যে অসমক উন্নতিৰ নতুন শিখৰত উপনীত কৰোৱাৰ যাত্ৰাত ৰায়চৌধুৰীৰ স্বদেশ আৰু স্বজাতিৰ প্ৰতি থকা অতুলনীয় দায়বদ্ধতা সকলোৰে পাথেয় হৈ ৰ'ব।

বৰপেটাত আজি অসম কেশৰীৰ স্মৃতি দিৱস উপলক্ষে কেইবাটাও অনুষ্ঠান-সংগঠনে শ্ৰদ্ধা নিবেদন কৰে। বৰপেটা চহৰৰ নবীন চন্দ্ৰ বৰদলৈ উদ্যানৰ সমীপত থকা অসম কেশৰীৰ প্ৰতিমূৰ্তিস্থলীত শ্ৰদ্ধাঞ্জলিৰ অনুষ্ঠানৰ

আয়োজন কৰা হয়। বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আজি অম্বিকাগিৰি ৰায়চৌধুৰীৰ কবিতাৰ আবৃত্তি প্ৰতিযোগিতাৰো আয়োজন কৰা হয়।

ooooo

নলবাৰী জিলাৰ উদ্যানশস্যৰ সৈতে জড়িত কৃষকসকলৰ বিভিন্ন সমস্যাসমূহৰ বিষয়ে আলোচনা কৰি ইয়াৰ সমাধান উলিওৱাৰ উদ্দেশ্যে আজি নলবাৰী কৃষি বিজ্ঞান কেন্দ্ৰত এখন সভা অনুষ্ঠিত হয়। অসম উদ্যানশস্য সমিতিৰ উদ্যোগত অনুষ্ঠিত এই সভাত জিলাখনৰ উদ্যানশস্য মহাবিদ্যালয়ৰ সহযোগী ডীন, বিশিষ্ট কৃষি বিজ্ঞানী ড০ মৃদুল ডেকাই সভাপতিত্ব কৰে। উদ্যানশস্যৰ বাবে উপযোগী জলবায়ু আৰু উৰ্বৰ ভূমিৰ বাবে অসমত বিভিন্ন প্ৰকাৰৰ ফল-মূল, শাক-পাচলিকে ধৰি ঔষধী গুণসম্পন্ন গছ-গছনি প্ৰচুৰ পৰিমাণে পোৱা যায়। উদ্যানশস্যৰ উৎপাদন বৃদ্ধিৰে আত্মনিৰ্ভৰ হ'ব পৰাকৈ চৰকাৰে এই ক্ষেত্ৰত প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ লগতে কাঠফুলা খেতি, মৌ পালন, নাৰিকল উন্নয়ন পৰিষদ আঁচনি, জৈৱিক কৃষি আদিৰ ব্যৱস্থা কৰি আহিছে। আজিৰ সভাত কৃষকসকলৰ সৈতে এই বিষয়সমূহত আলোচনা কৰা হয়। সভাত বিভিন্ন প্ৰান্তৰ পৰা অহা কৃষকসকলক লৈ নলবাৰী জিলা উদ্যানশস্য সমিতি গঠন কৰা হয়।

ooooo

গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত আজি লেখিকা বিজু বৰাৰ বিভিন্ন ৰোগৰ নিৰাময় গ্ৰন্থখন উন্মোচন কৰা হয়। গুৱাহাটীৰ পৰা প্ৰকাশিত এখন দৈনিক বাতৰি কাকতৰ সম্পাদকে গ্ৰন্থখন উন্মোচন কৰে। অনুষ্ঠানত কবি, জ্যেষ্ঠ সাংবাদিক অৰুণ মহন্তকে ধৰি কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে।

ooooo

আজি ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ ঘোষণা কৰা হৈছে। বিশ্ব দবা চেম্পিয়ন ডি গুকেশ, পেৰিছ অলিম্পিকত দুটাকৈ পদক বিজেতা মানু ভাকৰ, ভাৰতীয় হকী দলৰ অধিনায়ক হৰমনপ্ৰীত সিং আৰু পেৰিছ পেৰা অলিম্পিকত সোণৰ পদক বিজয়ী প্ৰবীণ কুমাৰক মেজৰ ধ্যানচান্দ খেলৰত্ন বঁটা প্ৰদান কৰা হ'ব। একেদৰে ৩২গৰাকী খেলুৱৈলৈ অৰ্জুন বঁটা আগবঢ়োৱা হৈছে। এই বঁটা প্ৰাপকসকলৰ ভিতৰত এথলীট জ্যোতি য়াৰাজী আৰু অনু ৰাণী, বক্সাৰ নিতু আৰু ছৱিটি, দবা খেলুৱৈ ৰন্তিকা আগৰৱাল, হকী খেলুৱৈ ছালিমা টেটে, অভিষেক সঞ্জয়, জৰমনপ্ৰীত সিং আৰু সুখজিৎ সিং আছে। পেৰা আৰ্চাৰী খেলুৱৈ ৰাকেশ কুমাৰ, পেৰা এথলীট প্ৰীতি পাল, জীৱনজী দিপ্তী, অজিত সিং আৰু শচীন খিলাড়ীলৈও অৰ্জুন বঁটা আগবঢ়োৱা হৈছে। ক্ৰীড়া ক্ষেত্ৰৰ জীৱনজোৰা সাধনাৰ অৰ্জুন বঁটা প্ৰবীণ এথলীট ছুচা সিং আৰু প্ৰবীণ পেৰা সাঁতোৰবিদ মুৰলীকান্ত পেটকাৰলৈ আগবঢ়োৱা হৈছে। অহা ১৭ জানুৱাৰীত ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা বিশেষ অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই বঁটাসমূহ প্ৰদান কৰিব।

ooooo

সমাপ্ত